# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-OCT-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines

--------------------

১। ষষ্ঠীত প্ৰতিষ্ঠা কৰা শক্তিৰূপিনী দেৱী দুৰ্গাক বিজয়া দশমীত যথাবিহিত ৰীতি-নীতিৰে বিসৰ্জন।

২। ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ৰুজু হোৱা গোচৰত বিএনএছৰ হত্যাকাণ্ড সম্পৰ্কীয় ১০৩ ধাৰা সংযোজন।

৩। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্বিভাৱ মহোৎসৱ উপলক্ষে ৰাজ্যৰ সত্ৰ-নামঘৰসমূহত আধ্যাত্মিক পৰিৱেশ।

৪। দেশজুৰি জাতিৰ পিতা মহাত্মা গান্ধী আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধা নিবেদন। *আৰু*

৫। আহমেবাদত অনুষ্ঠিত প্ৰথমখন ক্ৰিকেট টেষ্টত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতৰ প্ৰথম দিনাৰ খেলৰ অন্তত দুটা উইকেটৰ বিনিময়ত ১২১ ৰাণ সংগ্ৰহ।

ooooo

ষষ্ঠীত প্ৰতিষ্ঠা কৰা শক্তিৰূপিনী দেৱী দুৰ্গাক আজি বিজয়া দশমীত যথাবিহিত ৰীতি-নীতিৰে বিসৰ্জন দিয়া হৈছে। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

প্ৰতিকুল বতৰৰ মাজতে **গুৱাহাটী** মহানগৰীৰ পাঁচটাকৈ ঘাটত বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নীতি-নিৰ্দেশনা অনুসৰি লাচিত ঘাট, পাণ্ডু ঘাট, চুণচালিকে ধৰি পাঁচটা ঘাটত বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটীত এইবাৰ ৫ শতাধিক পূজা সম্পন্ন হোৱা হেতুকে পৰ্যায়ক্ৰমে লাচিত ঘাট আৰু পাণ্ডু ঘাটত আজি আৰু কাইলৈ প্ৰতিমাসমূহ বিসৰ্জন দিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

**শিৱসাগৰ** জিলাৰ থানামুখ অঞ্চলৰ দিখৌ নৈৰ ঘাটত কটকটীয়া সুৰক্ষা ব্যৱস্থাৰ মাজেৰে দশভূজাৰ প্ৰতিমা বিসৰ্জন পৰ্ব অনুষ্ঠিত হয়। শিৱসাগৰ নগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ১৯ খন পূজা মণ্ডপৰ মৃণ্ময় মূৰ্তিসমূহ নিৰাপদভাৱে বিসৰ্জন দিয়া হয়। এই সন্দৰ্ভত জিলাখনৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ বিষয়া প্ৰাণজিৎ দত্তই এইদৰে কয়–

বাইট (প্ৰাণজিৎ দত্ত)

**ডিব্ৰুগড়** জিলা প্ৰশাসনে জিলাখনৰ ব্ৰহ্মপুত্ৰৰ কাছাৰীঘাটত দেৱী বিসৰ্জনৰ ব্যৱস্থা কৰিছে। জিলাখনৰ নামৰূপ, নাহৰকটীয়া, দুলীয়াজান, টেঙাঘাট, চাবুৱা, টিংখাং আদি অঞ্চলৰ পূজা সমিতিসমূহে দিহিং, চেঁচাকে ধৰি নদীসমূহত মৃণ্ময় মূৰ্তিসমূহ বিসৰ্জন দিয়ে।

**যোৰহাট** জিলাৰ পূজাডুবি বিসৰ্জন ঘাটত কটকটীয়া নিৰাপত্তাৰ মাজেৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়।

ৰাজ্যৰ অন্য জিলাসমূহৰ দৰে **ধেমাজি**তো শান্তিপূৰ্ণভাৱে বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। তেলিজান নৈৰ ঘাট, জোনাইৰ তিনিমাইল, ঐৰামঘাট, লিকাবালি, সোৱণশিৰিৰ ঘাটত কেইবাখনো মণ্ডপৰ প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়।

**ডিমা হাচাওৰ** হাফলঙতো যথা ৰীতি-নীতিৰে বিজয়া দশমী উদযাপন কৰা হয়। জিলাখনৰ প্ৰায় ২০ খন পূজা সমিতিয়ে শোভাযাত্ৰাৰ অন্তত দিয়ুং নৈত প্ৰতিমাসমূহ বিসৰ্জন দিয়ে।

**কাছাৰ** জিলাতো আজি দেৱী দুৰ্গাৰ বিসৰ্জন পৰ্ব অব্যাহত আছে। শিলচৰৰ সদৰঘাট বিসৰ্জনস্থলীত বৰাক নৈত পৰম্পৰাগত ৰীতি-নীতিৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হৈছে। ইয়াৰ আগেয়ে মহিলাসকলে পৰস্পৰক মিঠাই খুৱাই সেন্দূৰ খেলি স্বামীৰ দীৰ্ঘায়ু কামনা কৰে। উল্লেখযোগ্য যে, জিলাখনত এইবাৰ এহেজাৰ ৫৯২ খন দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**শ্ৰীভূমি জিলাৰ** বদৰপুৰ বিসৰ্জন ঘাট, মালুৱা, শ্ৰীগৌৰ ঘাটসহ প্ৰধান প্ৰধান ঘাটসমূহত বিসৰ্জন প্ৰক্ৰিয়া অব্যাহত আছে।

**গোৱালপাৰা** জিলাৰ ৩৬ খন পূজা সমিতিয়ে চহৰখনৰ কাছাৰীঘাটত প্ৰতিমাসমূহ বিসৰ্জন দিয়ে।

**দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ লগতে অসম-মেঘালয় সীমান্তৱৰ্তী মেঘালয়ৰ অৰ্ধশতাধিক পূজা মণ্ডপত বিজয়া দশমী উদযাপন কৰা হয়। প্ৰতিখন পূজা মণ্ডপত বিবাহিতা মহিলাসকলৰ মাজত পৰম্পৰাগত সেন্দূৰ খেলাৰ আয়োজন কৰা হয়। সেন্দূৰ খেলাৰ অন্তত যথাবিহিত ৰীতি-নীতিৰে প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়। উল্লেখযোগ্য যে জিলাখনৰ মুঠ ৪২ খন পূজাৰ প্ৰতিমাসহ মেঘালয়ৰ হেলিডেগঞ্জ আৰু ফুলবাৰী এলেকাৰ অৰ্ধশতাধিক প্ৰতিমা ছটাকৈ ঘাটত বিসৰ্জন দিয়া হ'ব।

**দৰং** জিলাত আজি দিনৰ ১২ বজাত বিসৰ্জন পৰ্ব আৰম্ভ হয়। এই প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আৰক্ষী, এছ ডি আৰ এফ আৰু অন্যান্য বিভাগৰ কৰ্মীসকলক সষ্টম কৰি ৰখা হৈছে।

**ধুবুৰী** জিলাৰ তিনিটা ঘাটত বৈদিক নীতি-নিয়মেৰে দেৱী বিসৰ্জন প্ৰক্ৰিয়া চলি আছে।

**বৰপেটা** জিলাতো শান্তিপূৰ্ণভাৱে বিজয়া দশমী উদযাপন কৰা হয়। জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰা নীতি-নিৰ্দেশনাৰ মাজেৰে ঘাটসমূহত বিসৰ্জন প্ৰক্ৰিয়া চলি আছে। বৰপেটাৰ পূজা মণ্ডপৰ প্ৰতিমাসমূহ চাউলখোৱা নদীত বিসৰ্জন দিয়া হৈছে। বিজয়া দশমী উপলক্ষে ঐতিহাসিক ডক্ৰেশ্বৰ দেৱালয়ত বিভিন্ন প্ৰান্তৰ ভক্তৰ সমাগম ঘটে।

বিজয়া দশমী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দৌপদী মুৰ্মুৱে সমগ্ৰ দেশৱাসীক শুভেচ্ছা জনাইছে। এই উৎসৱে ন্যায়, সমতা আৰু সমন্বয়ৰ সৈতে একগোট হৈ আগবাঢ়িবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও বিজয়া দশমী উপলক্ষে দেশৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰি কয়, যে বিজয়া দশমী অশুভ আৰু অসত্যৰ ওপৰত শুভ আৰু সত্যৰ বিজয়ৰ প্ৰতীক। এই পৱিত্ৰ উৎসৱে সকলোকে সাহস, বুদ্ধি আৰু ভক্তিৰ পথেৰে নিৰন্তৰ অগ্ৰসৰ হোৱাৰ বাবে প্ৰেৰণা যোগাব বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

ooooo

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ৰুজু হোৱা গোচৰত ভাৰতীয় ন্যায় সংহিতাৰ হত্যাকাণ্ড সম্পৰ্কীয় ১০৩ ধাৰা সংযোজন কৰা হৈছে। বিশেষ তদন্তকাৰী গোটে পূৰ্বে চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰ গোচৰটোত ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২), ১০৫ আৰু ১০৬ ধাৰা সংযোজন কৰিছিল। দুয়ো প্ৰধান অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পাছত বিশেষ তদন্তকাৰী গোটে ১০৩ ধাৰা সংযোজন কৰে। আইনজ্ঞৰ মতে এই ধাৰাত যিকোনো অভিযুক্ত লোক দোষী সাব্যস্ত হ'লে যাৱজ্জীৱন কাৰাদণ্ড অথবা মৃত্যুদণ্ডৰে দণ্ডিত হ'ব পাৰে। ইপিনে এছ আই টিয়ে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জেৰা অব্যাহত ৰাখিছে। সিদ্ধাৰ্থ শৰ্মাৰ পৰা তদন্তকাৰী গোটে জুবিন গাৰ্গৰ মোবাইল আৰু এটা বেগ জব্দ কৰিছে। এই বেগটোৰ পৰা কেতবোৰ টেবলেট আৰু নথিপত্ৰ উদ্ধাৰ কৰা হৈছে। এই টেবলেটসমূহ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হ'ব বুলি আৰক্ষীৰ এটা সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ মাজতে তদন্তকাৰী গোটে আজি পুনৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, জুবিন গাৰ্গৰ সম্পৰ্কীয় ভাতৃ

সন্দিপণ গাৰ্গ আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক পুনৰ জেৰা কৰে। গুৱাহাটীৰ উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত মুখ্য তদন্তকাৰী বিষয়া ৰ'জী কলিতাই ঘটনা সন্দৰ্ভত তিনিওকে জেৰা কৰে।

ছিংগাপুৰত সম্পন্ন হোৱা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন প্ৰয়াত শিল্পীগৰাকীৰ পৰিয়ালক অৰ্পণ কৰা হ'ব বুলি আজি বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই মন্তব্য কৰে। ছিংগাপুৰৰ নিজা নিয়ম অনুসৰি এই পৰীক্ষাৰ প্ৰতিবেদন ৰাজহুৱা কৰা নহয় বুলি তেওঁ কয়। ছিংগাপুৰ কৰ্তৃপক্ষই সমগ্ৰ বিষয়টোক লৈ শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰিছে বুলিও তেওঁ কয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সম্পন্ন হোৱা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন এতিয়ালৈ আহি পোৱা নাই বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

**ৰাইট (মুন্না প্ৰসাদ গুপ্তা)**

প্ৰাণৰ শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ তদন্তৰ বাবে অসম আৰক্ষীৰ দল শীঘ্ৰেই ছিংগাপুৰলৈ যাব বুলি তেওঁ মন্তব্য কৰে। ছিংগাপুৰ প্ৰশাসনৰ পৰা অনুমতি লাভ কৰাৰ পাছতে আৰক্ষীৰ দলটো অসমৰ পৰা ছিংগাপুৰলৈ ৰাওনা হ'ব বুলি তেওঁ কয়।

ooooo

জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৭ সংখ্যক আৰ্বিভাৱ মহোৎসৱ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ সত্ৰ-নামঘৰসমূহ হৰিনামৰ পৱিত্ৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। কোচবিহাৰৰ মধুপুৰ সত্ৰত শ্ৰীমন্ত শংকৰদেৱৰ জয়ন্তী প্ৰভাতী কীৰ্তনেৰে শুভাৰম্ভ কৰা হয়।

**ধেমাজি** জিলাত বিভিন্ন কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হয়। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কেঁচুখনা নামঘৰত আয়োজিত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ আৰু শ্ৰীমন্ত শংকৰ সংঘৰ কেঁচুখনা আঞ্চলিক শাখাৰ বাৰ্ষিক অধিৱেশনত অংশ লয়। ভাষণ প্ৰসংগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজী জাতিৰ আত্মীক শক্তিৰ আধাৰ আৰু অনুপ্ৰেৰণা বুলি তেওঁ কয়। গুৰুজনাই দেখুৱাই যোৱা আধ্যাত্মিক, সাংস্কৃতিক আৰু ভক্তিমাৰ্গে জাতিটোক অনন্তকাললৈ ঐক্য, শান্তি আৰু মানৱতাৰ পথেৰে আগুৱাই নিব বুলি তেওঁ আশা প্ৰকাশ কৰে। জিলাখনৰ এৰাচল বৰনামঘৰ পৰিচালনা সমিতিৰ উদ্যোগত নাম-প্ৰসংগৰে শোভাযাত্ৰা কৰি ভাগৱত ভ্ৰমণ কৰোৱা হয়।

সত্ৰপীঠ **মাজুলীত** গুৰুজনাৰ জন্মোৎসৱ উপলক্ষে নাম-প্ৰসংগকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। সত্ৰ আৰু নামঘৰসমূহৰ সমান্তৰালকৈ আঞ্চলিক ধৰ্মালোচনী সভাসমূহৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ জয়ন্তী পালন কৰা হয়। নৰৰতনপুৰ নামঘৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ আয়োজন কৰা হৈছে। গছপুলি ৰোপণ, নাম-প্ৰসংগ, ধৰ্মধ্বজা উত্তোলন, অখণ্ড ভাগৱত পাঠেৰে প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। অনুষ্ঠানত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা সত্ৰতো আজি ৫৭৭ সংখ্যক জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। এই সন্দৰ্ভত আমাৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়-

**ভইচ (বিকাশ শইকীয়া)**

সত্ৰ নগৰী **বৰপেটাৰ** লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ সত্ৰ-নামঘৰ আদিত মহাপুৰুষ জনাৰ জয়ন্তী উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰে।

কামৰূপ জিলাৰ শুৱালকুছিত বৰ্ণাঢ্য কাৰ্যসূচীৰে গুৰুজনাৰ ৫৭৭ সংখ্যক জয়ন্তী উৎসৱ পালন কৰা হয়। ঊষা কীৰ্তনৰ পাছত আইসকলৰ নাম প্ৰসংগ, মহাপুৰুষীয়া ধৰ্মালোচনা সভা আৰু ধৰ্মধ্বজা উত্তোলন কৰি জয়ন্তীৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছত হৰিনাম কীৰ্তন, পাঠপঢ়া, চৰিত তোলা আদি কাৰ্যসূচী অনুষ্ঠিত হয়। নিশাৰ ভাগত শ্ৰীমন্ত কৃষ্টি বিকাশ কেন্দ্ৰৰ শিল্পীসকলে মহাপুৰুষ জনাৰ ৰুক্মিনী হৰণ অংকীয়া নাট পৰিৱেশন কৰিব। কাইলৈ আইসকলৰ

হৰিনাম সমদলৰ পাছত বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি আয়োজকৰ সূত্ৰই প্ৰকাশ কৰিছে।

**গোৱালপাৰা** জিলাৰ শ্ৰীশ্ৰীশ্যামৰায় সত্ৰ আৰু বগুৱানৰ হাটী সত্ৰত ৫ দিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জয়ন্তী অনুষ্ঠিত হয়।

ooooo

জাতিৰ পিতা মহাত্মা গান্ধী জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যৰ ভিন ভিন প্ৰান্তত আজি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গান্ধী জয়ন্তী উপলক্ষে গুৱাহাটীৰ পল্টন বজাৰত আয়োজিত স্বচ্ছতা অভিযানত অংশগ্ৰহণ কৰে। তেওঁ গান্ধীজীৰ প্ৰতি পুষ্পাৰ্ঘ্য তৰ্পন কৰি তেওঁৰ আদৰ্শই সকলোকে অনুপ্ৰাণিত কৰিব বুলি মত প্ৰকাশ কৰে। ইয়াৰ পাছতে ৰাজ্যপালগৰাকীয়ে চাফাই কৰ্মীসকলক সাক্ষাৎ কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়। শ্ৰীআচাৰ্যই এই চাফাই কৰ্মীসকলে বিশুদ্ধ খোৱাপানী, স্বাস্থ্যসেৱাৰ সুবিধা, শিক্ষাকে ধৰি অন্যান্য সা-সুবিধাসমূহ লাভ কৰিছে নে নাই সেই বিষয়ে বুজ লয়। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত ৰাজ্যপালগৰাকীয়ে স্বচ্ছতা কেৱল ৰাষ্ট্ৰীয় অভিযান নহয়, বৰং মহাত্মা গান্ধীৰ সপোন বুলিও অভিহিত কৰে। প্ৰতিগৰাকী ব্যক্তিয়ে স্বেচ্ছাই নিজৰ চৌপাশ পৰিচ্ছন্ন কৰি ৰখাৰ বাবে অগ্ৰসৰ হ'লে বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ পৰা আঁতৰি থকাৰ লগতে এখন সুস্থ ৰাষ্ট্ৰ নিৰ্মাণ কৰিব পৰা যাব বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধীজীৰ আদৰ্শক সাৰোগত কৰি স্বচ্ছতাক অভিযানৰ ৰূপ দিছে বুলিও তেওঁ কয়। ৰাজ্যপালগৰাকীয়ে এই অনুষ্ঠানত গছপুলি ৰোপণ কৰে।

উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি গান্ধীজীৰ ১৫৬ সংখ্যক জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা-প্ৰবন্ধক চেতন শ্ৰীবাস্তৱে মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। আজি ৰে'লৱেৰ মাহজোৰা স্বচ্ছতা কাৰ্যসূচীৰ পঞ্চম সংস্কৰণৰো শুভাৰম্ভ কৰে। এই কাৰ্যসূচীৰ অধীনত ৰে'লৱে পৰিসৰৰ বিভিন্ন কাৰ্যালয়, আবাসিক এলেকাকে ধৰি বিভিন্ন অঞ্চল পৰিস্কাৰ-পৰিচ্ছন্ন কৰি তোলা হ'ব। তদুপৰি ই-আৱৰ্জনা নিষ্কাষণৰ বাবেও ব্যৱস্থা লোৱা হ'ব।

মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰি জাতিৰ পিতালৈ শ্ৰদ্ধা নিবেদন কৰা হয়।  গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ আহ্বান মৰ্মে আজি জিলাখনৰ বিভিন্ন চৰকাৰী কাৰ্যালয় আৰু অনুষ্ঠান প্ৰতিষ্ঠানত পুৱাই চাফাই অভিযান ৰূপায়ণ কৰা হয়।কোকৰাঝাৰ জিলাত আজি গান্ধী জয়ন্তী উপলক্ষে জাতিৰ পিতাৰ প্ৰতি পুষ্পাৰ্ঘ তৰ্পণ কৰাৰ লগতে স্বচ্ছতা কাৰ্যসূচী ৰুপায়ন কৰা হয়। গুৱাহাটীৰ ৰাজীৱ ভৱনত আজি জাতিৰ পিতাৰ প্ৰতি শ্ৰদ্ধা জনাই বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা বলিন কুলী আৰু ৰিপুণ বৰাই শ্ৰদ্ধা নিবেদন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মহাত্মা গান্ধীৰ ১৫৬ সংখ্যাক জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া বাৰ্তাত কয়, যে অস্পৃশ্যতাৰ দৰে বিভিন্ন সামাজিক কু-সংস্কাৰ আঁতৰ কৰাৰ লগতে দুৰ্বল শ্ৰেণীক শক্তি আৰু সমৰ্থন আগবঢ়াবলৈ গান্ধীজীয়ে অহোপুৰুষাৰ্থ কৰিছিল । প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিঁ কয়, যে  বিকশিত ভাৰত গঢ়াৰ পথত গান্ধীজীৰ আদৰ্শ দেশে সদায় অনুসৰণ কৰিব।

ooooo

প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হয়। ১৯৬৪ৰ পৰা ১৯৬৬ চনলৈ দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা লাল বাহাদুৰ শাস্ত্ৰীয়ে দুগ্ধ বিপ্লৱৰ সূচনা কৰিছিল। কৃষি আৰু কৃষকসকলৰ উন্নয়নৰ হকে প্ৰচেষ্টা লোৱা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশত সেউজ বিপ্লৱৰ সূচনা কৰাতো অগ্ৰণী ভূমিকা লৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই কয়, যে জয় জোৱান,

জয় কিষাণ ধ্বনিৰে তেওঁ জনগণৰ মনত দেশাত্মবোধৰ চেতনা জগাই তুলিছিল। তেওঁৰ অনবদ্য ব্যক্তিত্ব, আদৰ্শ আৰু দৃঢ়তাই প্ৰত্যাহ্বান পূৰ্ণ সময়ত দেশক নেতৃত্ব দিছিল বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব বুলি তেওঁ মন্তব্য কৰে।

ৰাজ্যৰ ভিন্ন স্থানত দেশৰ দ্বিতীয়গৰাকী প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীলৈ শ্ৰদ্ধা নিবেদন কৰা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গুৱাহাটীৰ ৰাজীৱ ভৱনত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাই সন্মান প্ৰদৰ্শন কৰা হয়। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা, প্ৰাক্তন সাংসদ বলীন কুলি আৰু ৰিপুণ বৰাই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। শাস্ত্ৰীৰ জীৱনৰ আদৰ্শ আৰু ত্যাগ সন্দৰ্ভত বিশ্লেষণ আগবঢ়াই ৰিপুণ বৰাই কংগ্ৰেছ কৰ্মীসকলক প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ আদৰ্শৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়।

ooooo

আহমেবাদত অনুষ্ঠিত প্ৰথমখন টেষ্ট মেছত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতে প্ৰথম দিনাৰ খেলৰ অন্তত দুটা উইকেটৰ বিনিময়ত ১২১ ৰাণ সংগ্ৰহ কৰে। কে এল ৰাহুলে ৫৩ আৰু শুভমন গীলে ১৮ ৰাণ কৰি অপৰাজিত হৈ আছে। ইয়াৰ আগেয়ে টছত জিকি ৱেষ্ট ইণ্ডিজে প্ৰথমে বেটিং কৰি নিজৰ প্ৰথম ইনিংছত ১৬২ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ মহম্মদ চিৰাজে চাৰিটা আৰু যশপ্ৰীত বুমৰাই তিনিটা উইকেট দখল কৰে। উল্লেখযোগ্য যে, ভাৰতৰ নতুন অধিনায়ক শুভমন গিলৰ নেতৃত্বত দেশখনৰ ঘৰুৱা ছিজনৰ আৰম্ভণিৰ দুখনীয়া টেষ্ট শৃংখলাৰ এইখন হ'ল প্ৰথমখন খেল। এই শৃংখলাৰ দ্বিতীয়খন খেল অহা ১০ অক্টোবৰত দিল্লীত আৰম্ভ হ'ব।

ooooo

সমাপ্ত